**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-11-2025
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। অসম আন্দোলনৰ মহান ছহিদসকলৰ সোঁৱৰণত নিৰ্মাণ কৰা এই ছহিদ স্মাৰক ক্ষেত্ৰ অহা ১০ ডিচেম্বৰত উদ্বোধন কৰা হ'ব। ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শনৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত এইদৰে কয়।

**ৰাইট (চি এম)**

০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীতেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে ৰাজ্যখনৰ প্ৰায় ৩০০ শিল্পী আজি গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত সমবেত হৈছে। খন্তেক পাছতে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ২০০ তকৈ অধিক কণ্ঠশিল্পী আৰু ৭০ গৰাকীৰো অধিক বাদ্যযন্ত্ৰীয়ে ৮গৰাকী সংগীত পৰিচালকৰ তত্বাৱধানত জুবিন গাৰ্গৰ দুকুৰি গীত পৰিবেশন কৰিব। দৰ্শকসকলে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

জুবিন  গাৰ্গৰ প্ৰতি সন্মান জনাই আজি সৰভোগৰ গান্ধী ময়দানত শিল্পীগৰাকীৰ এটি পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। বিধায়ক মনোৰঞ্জন তালুকদাৰে এই প্ৰতিমূৰ্তিটো উন্মোচন কৰে। সংগীত পৰিচালক দিগন্ত ভাৰতী, পৰিচালক শশাংক সমীৰ, জুবিন গাৰ্গৰ বাদ্যযন্ত্ৰী ৰাজা বৰুৱাই এই অনুষ্ঠানত অংশ লৈ শিল্পীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰে। অনুষ্ঠানৰ শেষত প্ৰায় ৩ হাজাৰ লোকে জুবিন গাৰ্গৰ কালজয়ী সৃষ্টি মায়াবিনী ৰাতিৰ বুকুত শীৰ্ষত গীতটো পৰিবেশন কৰে। এই অনুষ্ঠানতে শিল্পী ছৈয়দ চাদুল্লা আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাহী বাদক দীপক শৰ্মাকো শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাৰ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ খেল পথাৰত আয়োজিত এখন জনসভাত  টিহু বিধানসভা সমষ্টিৰ ৩৩ হাজাৰ ৪৩১ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যৰ ৩০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ লক্ষ্যৰে চৰকাৰে এই অভিযান আৰম্ভ কৰিছে। ৰাজ্যত মহিলা উদ্যমিতা আঁচনিৰ অধীনত ৪ লাখ আত্মসহায়ক গোটৰ মহিলালৈ ধন আগবঢ়োৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে অসম চৰকাৰে মহিলা সবলীকৰণৰ বাবে গ্ৰহণ কৰা এই অভিযানৰ বিষয়ে দেশজুৰি চৰ্চা হৈছে। তেওঁ কয়, যে এই আঁচনিৰ আৰ্হিত বিহাৰ, চত্তিশগড়, কৰ্ণাটক, মধ্যপ্ৰদেশ আৰু মহাৰাষ্ট্ৰত

মহিলাসকলৰ বাবে আঁচনি ৰূপায়ণ কৰা হৈছে আৰু আন কেইবাখনো ৰাজ্যৰ চৰকাৰে এই সন্দৰ্ভত বুজ লোৱাৰ উদ্দেশ্যে অসম চৰকাৰৰ লগত যোগাযোগ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই মহিলাসকলক উদ্যমিতা পুঁজিৰ ধনৰ উপযুক্ত ব্যৱহাৰ কৰি স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। তেওঁ টিহু সমষ্টিৰ ২৮ হাজাৰ ১০০ পৰিয়ালে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰাৰ কথা উল্লেখ কৰি কয়, যে সমষ্টিটোত অতিৰিক্ত আৰু ৩ হাজাৰ পৰিয়ালক এই আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। আজিৰ অনুষ্ঠানত পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাকে ধৰি কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০০

অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ উদ্যোগত কামৰূপ জিলাৰ চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ত মন্ত্ৰী যোগেন মহনে আজি **বিশ্ব ঐতিহ্য সপ্তাহ ২০২৫** মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীমহনে কয়, যে ৰাজ্য চৰকাৰে শিৱসাগৰৰ ঐতিহাসিক মঠ-মন্দিৰ আৰু ডিমা হাচাওৰ শৈল-ভাস্কৰ্য বিশ্ব ঐতিহ্যৰ স্বীকৃতিৰ বাবে প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে।

চৰাইদেউ জিলাতো স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতি চৰাইদেউৰ সহযোগত আজিৰ পৰা ২৫ নৱেম্বৰলৈ **বিশ্ব ঐতিহ্য সপ্তাহ ২০২৫**-ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি পুৰা চৰাইদেউ মৈদাম ক্ষেত্ৰত স্বচ্ছতা অভিযান চলোৱা হয়। এই ঐতিহ্য সপ্তাহৰ লগত সংগতি ৰাখি পৰ্যটকসকলৰ বাবে এখন ফটো প্ৰদৰ্শনী আৰু মৈদাম প্ৰাংগণত মৈদামসমূহৰ তথ্য সম্বলিত এখন প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। ২৩ নৱেম্বৰ মৈদাম ক্ষেত্ৰত এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হ'ব।

০০০০

মুখ্যমন্ত্ৰী তদাৰকী কোষে পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰী গোচৰত এই পৰ্যন্ত ৩ জন বিষয়াক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি পৰ্যটন বিষয়া নয়নমণি পামেগামক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে কালি নিশা প্ৰাঞ্জল বৰা আৰু অনন্যা বৰঠাকুৰক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ অন্তত তিনিওগৰাকী ধৃত বিষয়াৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে ২০১২-১৩ বৰ্ষত পৰ্যটন নিগমৰ কেলেংকাৰী গোচৰত তদাৰকী কোষত পৰ্যটন নিগমৰ প্ৰাক্তন সঞ্চালক মনালিছা গোস্বামীসহ ৮ গৰাকী বিষয়াৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছে।

০০০০

দিছপুৰ আৰক্ষীয়ে আজি চিৰিয়াখানাৰ সমীপত অভিযান চলাই জালনোটসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোক তিনিজন বৰপেটাৰ চুফিয়া খাটুন, মহিদুল ভূঞা আৰু বিহপুৰীয়াৰ মইনুল আলী বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে তিনিওৰে জিম্মাৰ পৰা ৩৬ লাখ ৬৫ হাজাৰ টকাৰ জালনোট, প্ৰিণ্টাৰ, কাগজ আদি জব্দ কৰিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**